# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-DEC-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১০ হাজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষে নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হৈছে বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য।

৩। নগাঁৱৰ চাংজুৰাই ৰে'লপথত কালি পুৱতি নিশা ৰে'লৰ খুন্দাত ৮টা হাতীৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বন বিভাগক শীঘ্ৰে তদন্তৰ নিৰ্দেশ।

৪। যশস্বী কণ্ঠশিল্পী দীপালী বৰঠাকুৰৰ পূণ্য তিথিত সুকণ্ঠী গায়িকাগৰাকীলৈ শ্ৰদ্ধা নিবেদন।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ ভাৰতক ১৯১ ৰানত পৰাস্ত।

ooooo

কৃষকসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু তেওঁলোকৰ সুবিধাৰ্থে চৰকাৰে ভালেমান পদক্ষেপ মুকলি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে বুলি মন্তব্য কৰে। তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৱালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ বাবে কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰীমোদীয়ে কয়, যে ২০১৪ চনত দেশত সাৰ উৎপাদন ২২৫ লাখ মেট্ৰিক টন হোৱাৰ পৰিৱৰ্তে বৰ্তমান এই উৎপাদন ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি হৈছে। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰি সাৰ উৎপাদনত সম্পূৰ্ণ আত্মনিৰ্ভৰ হ'বলৈ নতুন নতুন উৎপাদন ক্ষমতা গঢ়ি তোলাৰ বাবে চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই যাব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নামৰূপৰ এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ প্ৰস্তুত হ'ব।

*(বাইট ঃ মোদী)*

কৃষকসকলৰ হিত সাধনৰ ক্ষেত্ৰত চৰকাৰ অত্যন্ত সংবেদনশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কৃষকসকসকলৰ ওপৰত যাতে অতিৰিক্ত বোজা নপৰে তাৰ বাবে ইউৰিয়া আমদানিৰ ব্যয় চৰকাৰে বহন কৰে। দেশত বছৰি প্ৰয়োজন হোৱা ৩৮০ লাখ মেট্ৰিকটন ইউৰিয়াৰ বিপৰীতে বৰ্তমান ৩০৬ লাখ মেট্ৰিকটন ইউৰিয়া উৎপাদন হয় বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

*(বাইট ঃ সৰ্বানন্দ)*

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমে এতিয়া বিকাশ আৰু উন্নয়নৰ নতুন আকাশ চুবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে।

উল্লেখযোগ্য যে, বিশ্বমানৰ এই প্ৰকল্পৰ উৎপাদন ক্ষমতা হৈছে বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এমনিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে ২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত যথেষ্ট লাভান্বিত কৰিব বুলি আশা কৰা হৈছে।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে, দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে।

০০০০০

নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাই ৰে'লপথত কালি পুৱতি নিশা ৰে'লৰ খুন্দাত ৮টা হাতীৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বন বিভাগৰ শীঘ্ৰেই তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ প্ৰতিকূল বতৰ বিশেষকৈ ঘন কুঁৱলী পৰাৰ সময়ছোৱাত এনেধৰণৰ ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰবাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰো নিৰ্দেশ দিয়ে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি পুৱতি নিশা ২ বাজি ১৭ মিনিটত নামনিমুৱা চাইৰাং নতুন দিল্লী-ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয় আৰু এটা গুৰুতৰভাৱে আহত হয়। পাছত এই হাতীটোৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়।

আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে'লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল।

উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত হাতী-মানুহৰ সংঘাত  অব্যাহত আছে আৰু এনে ঘটনাত বহুলোকৰ আৰু হাতীৰো প্ৰাণহানি হৈছে। ইপিনে, বিগত ৫ বছৰত ৰাজ্যখনত ৰে'লৰ খুন্দাত ২৪টা বনৰীয়া হাতীৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। ২০১৯-২০ বৰ্ষত দুটা, ২০২০-২১ বৰ্ষত ৫টা, ২০২১-২২ বৰ্ষত ৮টা আৰু ২০২২-২৩ বৰ্ষত ৭টা বনৰীয়া হাতীৰ ৰে'লৰ খুন্দাত মৃত্যু হৈছিল। একেদৰে ২০২৩-২৪ বিত্তীয় বৰ্ষত দুটা বনৰীয়া হাতীৰ মৃত্যু হৈছিল।

০০০০০

পাটাছাৰকুছি সমষ্টিৰ দক্ষিণ বজালী অঞ্চলত আজি সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে তিনি কোটি ৪৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা তিনিটা পকীপথ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পুৰণ কৰি সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীদাসে স্থানীয় লোকসকলৰ সৈতে তেওঁলোকৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰে। তেওঁ কয়, যে পূৰ্বে অতি পিছপৰা পাটাছাৰকুছি সমষ্টিত বৰ্তমান আন্তঃগাঁথনি যথেষ্ট উন্নত হৈছে আৰু প্ৰায় অভিলেখ গঢ়ি সমষ্টিটোত ২৯৭ কোটি টকা ব্যয় সাপেক্ষে পথ নিৰ্মাণ কৰা হৈছে।

০০০০০

প্ৰতিৰেশী ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। কাচাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে। অঞ্চলটোত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত থাৰ্মেল কেমেৰা, নাইট ভিজন কেমেৰা আৰু চিচি টিভিৰ সহায়ত ২৪ ঘণ্টাই নিৰীক্ষণ কৰা হৈছে।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তত আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস পালন কৰা হয়। যোৱা বছৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২১ ডিচেম্বৰৰ দিনটো বিশ্ব ধ্যান দিৱস হিচাপে ঘোষণা কৰিছিল। অসমতো আজি বিশ্ব ধ্যান দিৱস পালন কৰা হয়। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত আৰ্ট অব লিভিঙৰ উদ্যোগত এই দিৱস পালন কৰা হয়। উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰৰ বেডমিণ্টন একাডেমীত আয়োজন কৰা এই দিৱসৰ কাৰ্যসূচীত আৰ্ট অব লিভিঙৰ জ্যেষ্ঠ প্ৰশিক্ষক দেৱ কুমাৰ বৰুৱাই শিক্ষাৰ্থীসকলক ধ্যানৰ প্ৰশিক্ষণ দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। এই কাৰ্যসূচীত ভালেসংখ্যক খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

ooooo

বিশ্বনাথ আৰক্ষীয়ে আজি বেজালিৰ নামত ৰাইজক প্ৰৱঞ্চনা কৰা উত্তৰ লখিমপুৰৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। নুৰুদ্দিন খান পাল নামৰ এই লোকজনে দীৰ্ঘদিন ধৰি বেজালি কৰাৰ চলেৰে বহুলোকক নিজৰ ধৰ্ম ত্যাগ কৰিবলৈ প্ৰৰোচিত কৰি আহিছিল। লোকজনে আয়ুৰ্বেদিক চিকিৎসা কৰাৰ নামত বহুলোকক নিচাযুক্ত দ্ৰব্য সেৱন কৰোৱাৰো অভিযোগ উঠিছে। এই অভিযোগ মৰ্মে বিশ্বনাথ জিলাৰ গহপুৰ থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত লোকজনক গ্ৰেপ্তাৰ কৰা হয়। বিশ্বনাথৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে প্ৰকাশ কৰা মতে, ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাৰ অধীনত লোকজনৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে।

ooooo

বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ জিলাৰ মচুৱাঘাটত গৌৰাংগ নদীৰ ওপৰত এখন দলঙৰ আধাৰশিলা স্থাপন কৰে। এই দলংখনে জিলাখনৰ মাছপাৰা আৰু হেকাৰপাৰা দোৱামাৰী অঞ্চলক সংযোগ কৰিব। ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই দলংখন অহা এক-ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। শ্ৰীমহিলাৰীয়ে দলঙৰ আধাৰশিলা স্থাপন কৰি অঞ্চলটোৰ লোকসকলৰ দীৰ্ঘদিনীয়া দাবী পুৰণ কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে। বিটিচিৰ মুৰব্বীগৰাকীয়ে লগতে অহা ১০ৰ পৰা ১৫ জানুৱাৰীৰ ভিতৰত বিটিআৰৰ যোগ্য পৰিয়ালসমূহৰ মাজত ভূমি পট্টা বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত দক্ষিণ শালমৰা মানকাচৰ জিলাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ সৈতে হোৱা সাক্ষাৎকাৰটি পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎগ্ৰহণ কৰিছে আমাৰ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ সংবাদদাতা জেচমিনাৰা পাৰবিনে।

ooooo

উত্তৰ প্ৰদেশৰ এটা আৰক্ষী দলে কালি ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্তৰ টাকিমাৰীত সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত অভিযুক্ত এজন যুৱকৰ সন্ধানত অভিযান চলাই আছে বুলি জিলাখনৰ আৰক্ষী অধীক্ষকে জানিবলৈ দিছে। ধুবুৰী আৰক্ষীৰ সহযোগত এই দলটোৱে ছাদিক আলী ওৰফে ছাদিক শ্বেখ নামৰ লোকজনৰ বাসগৃহত অভিযান চলাই যদিও তেওঁৰ সন্ধান উলিওৱাত ব্যৰ্থ হয়। উল্লেখযোগ্য যে, লক্ষ্ণৌ আৰক্ষী থানাত ২০২২ চনত পঞ্জীয়ন হোৱা এটা গোচৰৰ সৈতে জড়িত থকাৰ অভিযোগত মুক্তাল মণ্ডলৰ পুত্ৰ ছাদিক আলীক যোৱা ৩ বছৰ ধৰি আৰক্ষীয়ে বিচাৰি আছে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ জিৰিকিন্দেং খেৰণি সংযোগী পথৰ আমৰেং নদীৰ ওপৰত নিৰ্মাণ কৰা এখন পকী দলং কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আজি উদ্বোধন কৰে। প্ৰায় এঘাৰ কোটি ৭২ লাখ টকা ব্যয় সাপেক্ষে এই দলংখন নিৰ্মাণ কৰা হৈছে। নতুন দলংখনে জিৰিকিন্দেং অঞ্চলৰ সৈতে ব্যৱসায়, বাণিজ্য আৰু যোগাযোগ ব্যৱস্থা উন্নত কৰিব বুলি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

সুৰদী কণ্ঠৰ এমুঠি কালজয়ী গীতেৰে শতসহস্ৰ শ্ৰোতা জনতাক মুগ্ধ কৰি যোৱা যশস্বী কণ্ঠশিল্পী দীপালী বৰঠাকুৰৰ আজি পূণ্য তিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে।

*-গান-*

১৯৫৭ চনতে আকাশবাণী গুৱাহাটী যোগে দীপালী বৰঠাকুৰৰ কণ্ঠত লীলা গগৈয়ে ৰচনা কৰা **মোৰ বোপাই লাহৰি** শীৰ্ষক গীতটি প্ৰচাৰ হৈছিল। ১৯৫৯ চনত ক্ষীৰদাকান্ত বিষয়াৰ কথা সুৰ তথা লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাৰে মুক্তি লাভ কৰা চলচ্চিত্ৰত শিল্পীগৰাকীয়ে নেপথ্য কণ্ঠশিল্পী হিচাপে কণ্ঠদান কৰে। ৰুদ্ৰ বৰুৱা, ভবেন বৰঠাকুৰ, কমল হাজৰিকা, মুক্তিনাথ শৰ্মা বৰদলৈ আৰু ড° নিৰ্মলপ্ৰভা বৰদলৈকে ধৰি কেইবাগৰাকীও স্বনামধন্য গীতিকাৰ আৰু সুৰকাৰে  সুৰ সংযোজন কৰা কেইটিমান অন্তস্পৰ্শী গীতেৰে সকলোৰে হৃদয় জয় কৰা শিল্পীগৰাকী জটিল ৰোগত আক্ৰান্ত হোৱাৰ পাছৰে পৰা সংগীতৰ ক্ষেত্ৰখনৰ পৰা আঁতৰি থাকিলগীয়া হয়। ১৯৭৬ চনত খ্যাতনামা চিত্ৰশিল্পী নীলপৱণ বৰুৱাৰ সৈতে বিবাহপাশত আবদ্ধ হোৱাৰ পাছৰ পৰিক্ৰমাত দুয়োগৰাকী শিল্পীৰ গভীৰ সান্নিধ্যই সকলোকে উদ্বুদ্ধ কৰে। পদ্মশ্ৰী সন্মান আৰু অসম চৰকাৰৰ শিল্পী বঁটা তথা আইদেউ সন্মানেৰে সন্মানিত শিল্পীগৰাকীৰ ২০১৮ চনৰ ২১ ডিচেম্বৰত দেহাৱসান ঘটে। কোকিল কণ্ঠৰ প্ৰতিটো গীতেৰে তেওঁ পৰৱৰ্তী প্ৰজন্মৰো হৃদয় জিনি থাকিব।

*-গান-*

০০০০০

ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি পাকিস্তানে ভাৰতক ১৯১ ৰানৰ ব্যৱধানত পৰাজিত কৰে। টছত জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ২৬ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইপিনে, ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথম দুখন খেল বিশাখাপট্টনমত আৰু বাকী তিনিখন খেল তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০০

নগাঁও ছোৱালী মহাবিদ্যালয়ত আজি বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ উপেন্দ্ৰ বৰকটকী আৰু ড° জ্যোৰ্তিময় জানাক সাহিত্য ৰত্ন উপাধি প্ৰদান কৰা হয়। শংকৰী সংস্কৃতিৰ সাধক তিলক চন্দ্ৰ মজুমদাৰক মৰণোত্তৰভাৱে এই উপাধি প্ৰদান কৰা হয়। ইয়াৰ লগতে বিশিষ্ট শিক্ষাবিদ ড° স্বাধীনতা মহন্তক কৃতী শিক্ষক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড়  বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই **প্ৰমূল্যৰ উত্তৰণ আৰু মানৱ সমাজৰ ভৱিষ্যত** শীৰ্ষক সুৰেন্দ্ৰ নাথ কাকতি স্মাৰক বক্তৃতা প্ৰদান কৰে।

০০০০০

চিৰাং জিলাৰ বেংতল নিবাসী সৰবৰহী মহিলা পবিত্ৰা দেৱী শৰ্মাৰ আজি বিয়লি নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ।

০০০০০

**সমাপ্ত**